অধ্যায় ১৪ ঃ সুশ্রুতসংহিতা [সূত্রস্থান ঃ প্রথম অধ্যায় (পাঠ্যাংশ ১-২৫)]

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩.১ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ১-৫

১৪.৩.২ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ৬-১০

১৪.৩.৩ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ১১-১৫

১৪.৩.৪ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ১৬-২০

১৪.৩.৫ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ২১-২৫

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্রগতিৰ খতিয়ান

১৪.৭ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'সুশ্রুতসংহিতা'ৰ বিষয়ে জানিব পাৰিব
- 'সুশ্রুতসংহিতা'ৰ সূত্রস্থানৰ প্রথম অধ্যায়ৰ লগত পৰিচয় হ'ব পাৰিব
- শল্যতন্ত্রৰ বিষয়ে জানিব পাৰিব
- আয়ুর্বেদৰ উদ্দেশ্যৰ বিষয়ে জ্ঞাত হ'ব
- ৰোগৰ বিভাগ সম্পর্কে অবগত হ'ব পাৰিব
- আয়ুর্বেদৰ অংগসমূহৰ বিষয়ে জ্ঞাত হ'ব পাৰিব।

১৪.২ পৰিচয়

আয়ুর্বেদ অত্যন্ত প্রাচীন শাস্ত্র। প্রাচীন কালত আয়ুর্বেদ বহুত উন্নত আৰু বিস্তাৰশীল আছিল। বেগত অন্য শাস্ত্রৰ সৈতে অধ্যাত্ম শাস্ত্রৰ বিবেচনা প্রচুৰভাৱে পোৱা যায়। তাৰ তুলনাত আয়ুর্বেদৰ চর্চা কমকৈ পোৱা যায়। আয়ুর্বেদ সম্বন্ধীয় সিদ্ধান্তৰ শৃংখলাবদ্ধ তথা সুব্যৱস্থিত সংকলন বেদত নোহোৱা বাবে পৰৱর্তী সময়ৰ ঋষিসকলে আয়ুর্বেদ সম্বন্ধী বিষয়ৰ ক্রমবদ্ধ সংকলন কৰি বহুকেইখন সংহিতাৰ নির্মাণ কৰিছিল। তেওঁলোকে আয়ুর্বেদক কায়চিকিৎসা, শল্যতন্ত্র, শালাক্যতন্ত্র, কৌমাৰভৃত্য, ভূতবিদ্যা, বিষতন্ত্র, ৰসায়ন আৰু বাজীকৰণ এই আঠটা ভাগত বিভক্ত কৰিছিল। সম্পূর্ণ আয়ুর্বেদ তথা ইয়াৰ বিভিন্ন অংগৰ ওপৰত আচার্যসকলে বিভিন্ন সংহিতা ৰচনা কৰিছিল

যদিও সেই আটাইবোৰ আজি উপলব্ধ নহয়। ইয়াৰে ভিতৰত অগ্নিৱেশকৃত তথা চৰকৰ দ্বাৰা প্রতিসংস্কৃত 'চৰকসংহিতা' আৰু নাগার্জুনৰ দ্বাৰা প্রতিসংস্কৃত 'সুশ্রুতসংহিতা' পূর্ণৰূপত পোৱা যায়।

সুশ্রুতসংহিতা' শল্যতন্ত্র প্রধান আৰু 'চৰকসংহিতা' কায়চিকিৎসা প্রধান। ধন্বন্তৰি প্রণীত তথা অগ্নিবেশৰ দ্বাৰা প্রতিসংস্কৃত 'সুশ্রুতসংহিতা' ব্যৱহাৰৰ দৃষ্টিত আয়ুর্বেদৰ শ্রেষ্ঠ গ্রন্থ। এই সংহিতাখনত পাঁচটা স্থান (অধ্যায়) পোৱা যায়,— সূত্রস্থান, নিদানস্থান, শাৰীৰস্থান, চিকিৎসাস্থান আৰু কল্পস্থান। আনহাতে সংহিতাখনৰ পৰিশিষ্ট ৰূপে 'উত্তৰতন্ত্র' নামৰ এটি প্রকৰণ পোৱা যায়।

এই অধ্যায়টোত 'সূত্রস্থান' প্রথম অধ্যায়ৰ ১-২৫ নং পাঠ্যাংশ দিয়া হৈছে। ইয়াত ঔপধেনব আদি ঋষিসকলে আয়ুর্বেদ অধ্যয়ন কৰিবলৈ ভগবান ধন্বন্তৰিৰ ওচৰলৈ যোৱাৰ বর্ণনা কৰাৰ লগতে শল্যতন্ত্রৰ শ্রেষ্ঠতা প্রতিপন্ন কৰা হৈছে। আপোনালোকে এই অধ্যায়টোত আয়ুর্বেদৰ নির্বচন, ব্যাধিৰ প্রকাৰ ভেদ, শল্যতন্ত্রৰ গুৰুত্ব আদি বিষয়বোৰ জানিব পাৰিব।

১৪.৩.১ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ১-৫

পাঠ্যাংশ - ১-২

মূলপাঠ ঃ অথাতো ৱেদোৎপত্ত্যিধ্যায়ং ব্যাখ্যাস্যামঃ ।। ১।।
য়থোৱাচ ভগৱান্ ধন্বন্তৰিঃ।। ২।।

সন্ধিবিচ্ছেদ ঃ ৱেদোৎপত্তিমধ্যায়ং = ৱেদোৎপত্তিম্ + অধ্যায়ং।
য়থোৱাচ = যথা + উৱাচ।

অনুবাদ ঃ ইয়াৰ পিছত 'ৱেদোৎপত্তি' অর্থাৎ আয়ুর্বেদৰ উৎপত্তি নামৰ অধ্যায়ৰ ব্যাখ্যা কৰিম। ১।
যেনেদৰে ভগৱান্ ধন্বন্তৰিয়ে কৈছিল। ২।



জানি থোৱা ভাল

ভগৱান্ ঃ ইয়াত 'ভগৱান' শব্দটোৰ অভিপ্রায় হৈছে— অতিশয় জ্ঞানৱান পুৰুষ—

'উৎপত্তিকাৰণং চৈৱ ভূতানামাগতিং গতিম্।
ৱেত্তি বিদ্যামবিদ্যাং চ স জ্ঞেয়ো ভগৱানিতি।।'

ধন্বন্তৰি ঃ শল্যশাস্ত্রত পাৰঙ্গত হোৱা কাৰণে ধন্বন্তৰি বুলি কোৱা হয়— 'ধনুঃ শল্যং, তস্যান্তমিয়র্তি গচ্ছতীতি- ধন্বন্তৰিঃ।'

পাঠ্যাংশ - ৩

মূলপাঠ ঃ অথ খলু ভগৱন্তমমৰৱৰমৃষিগণপৰিবৃতমাশ্রমস্থং কাশিৰাজং দিৱোদাসং ধন্বন্তৰিমৌপধেনৱৈতৰণৌৰভ্রপৌষ্কলাৱতকৰৱীর্য

গোপুৰৰ ক্ষিতসুশ্রুতপ্রভৃতয় ঊচুঃ।। ৩।।

সন্ধিবিচ্ছেদ ঃ ভগৱন্তম্ + অমৰবৰম্ + ঋষিগণপৰিবৃতম্ + আশ্রমস্থং।
ধন্বন্তৰিম্ + ঔপধেনৱ + বৈতৰণ + ঔৰভ্র + পৌষ্কলাৱত + কৰবীর্য।

অনুবাদ ঃ দেৱতাসকলৰ ভিতৰত শ্রেষ্ঠ, ঋষিসকলৰ দ্বাৰা আবৃত হৈ থকা, বানপ্রস্থ আশ্রমত থকা— কাশীৰাজ, ভগৱান দিৱোদাস ধন্বন্তৰিক ঔপধেনৱ, বৈতৰণ, ঔৰভ্র, পৌষ্কলাৱত, কৰবীর্য, গোপুৰৰক্ষিত আৰু সুশ্রুত আদি ঋষিসকলে সুধিলে।

পাঠ্যাংশ - ৪

মূলপাঠ ঃ ভগৱন। শাৰীৰমানসাগন্তুভির্ব্যাধিভির্বিবিধবেদনাভিঘাতোপদ্রুতান্ সনাথানপ্যনাথবদ্বিচেষ্টমানান্ বিক্রোশতশ্চ মানবানভিসমীক্ষ্য মনসি নঃ পীড়া ভৱতি, তেষাং সুখৈষিণাং ৰোগোপশমনার্থমাত্মনশ্চ প্রাণয়াত্রার্থং প্রজাহিতহেতোৰায়ুর্বেদং শ্রোতুমিচ্ছাম ইহোপদিশ্যমানম্, অত্রায়ত্তমৈহিকমামুষ্মিকং চ শ্রেয়, তদ্‌ষভগৱন্তমুপপন্নাঃ স্মঃ শিষ্যত্বেনেতি ।। ৪।।
ৰ।। ২।।

সন্ধিবিচ্ছেদ ঃ শাৰীৰ + মানস + আগন্তুভিঃ + ব্যাধিভিঃ + বিবিধবেদনা + অভিঘাত + উপদ্রুতান্।
সনাথান্ + অপি + অনাথবৎ + বিচেষ্টমানান্।
মানবান্ + অভিসমীক্ষ্য।
ৰোগ + উপশমনার্থম্ + আত্মনঃ + চ।
প্রজাহিতহেতোঃ + আয়ুর্বেদং
শ্রোতুম্ + ইচ্ছামঃ।
ইহ + উপদিশ্যমানম্।
অত্র + আয়ত্তম্ + ঐহিকম্ + আমুষ্মিকং।
তদ্ ভগৱন্তম্ + উপপন্নাঃ। শিশ্যত্বেন্ + এতি।

অসমীয়া অনুবাদ ঃ হে ভগৱন্ ! শাৰীৰ, মানস তথা আগন্তুজ ৰোগৰ দ্বাৰা তথা বিভিন্ন প্রকাৰৰ বেদনা (দুঃখ)ৰ দ্বাৰা কষ্ট ভোগ কৰি থকা, মিত্র-স্বামী-চাকৰ আদিৰ দ্বাৰা সনাথ (আত্মীয়-কুটুম্বৰে পৰিপূর্ণ) হ'লেও অনাথৰ দৰে আচৰণ কৰা আৰু আস্ফালন কৰিথকা মানুহক দেখি আমাৰ মনত দুঃখ হয়। সুখৰ বাবে ইচ্ছা কৰা এই মানুহৰ ৰোগ উপশমৰ বাবে তথা আমাৰ নিজৰ জীৱিকাৰ বাবে আৰু জনকল্যাণৰ বাবে আপোনাৰ দ্বাৰা উপদেশ হোৱা আয়ুর্বেদ শুনিব বিচাৰিছোঁ। এই আয়ুর্বেদতেই ইহলৌকিক কল্যাণ আৰু

পাৰলৌকিক শ্রেয় নিহিত হৈ আছে। সেয়েহে হে ভগৱান ! আমি আপোনাৰ ওচৰলৈ শিষ্যৰূপেৰে আহিছোঁ।

টোকা ঃ (ক) সংসাৰত সাধাৰণতে টকা-পইচা, ঘৰ-দুৱাৰ, চাকৰ আদিকেই সুখ বুলি ধৰা হয়, তথা দৰিদ্রতা, শোক-চিন্তা আদিক দুঃখ বুলি কোৱা হয়। কিন্তু আয়ুর্বেদত আৰোগ্যকেই সুখ আৰু ৰোগক দুঃখ বুলি কোৱা হৈছে। চৰকসংহিতাৰ 'সূত্রস্থান'ত এনেদৰে কোৱা হৈছে— 'সুখসংজ্ঞকমাৰোগ্যং বিকাৰো দুঃখমেব চ।'

(খ) ধর্ম, অর্থ আৰু কাম— এই পুৰুষার্থসমূহৰ দ্বাৰা এই লৌকিকত অথবা পাৰলৌকিকত যিকোনো এটাৰহে সুখ পোৱা যায়। কিন্তু আয়ুর্বেদৰ জৰিয়তে দুয়োটা স্থানৰ সুখেই পোৱা যায়। 'চৰকসংহিতা'ত এনেদৰে কোৱা হৈছে—

'তস্যায়ুষঃ পুণ্যতমো বেদো বেদবিদাং মতঃ।
ৰক্ষ্যতে যন্মনুষ্যাণাং লোকয়োৰুভয়োর্হিতঃ।।'

পাঠ্যাংশ - ৫

মূলপাঠ ঃ তানুবাচ ভগৱন্ - স্বাগতং ৰঃ, সর্বে এৱামীমাংস্যা অধ্যাপ্যাশ্চ ভৱন্তো বৎসাঃ ।। ৫।।

অসমীয়া অনুবাদ ঃ তেওঁলোকক ভগৱান ধন্বন্তৰিয়ে ক'লে— হে পুত্রসকল, তোমালোক আটাইকে স্বাগত জনাইছোঁ। তোমালোক সকলোৰে ক্ষেত্রত ভাবিবলগীয়া একোৰেই নাই। তোমালোক আটায়ে পঢ়িবৰ বাবে যোগ্য।

টোকা ঃ (ক) শিষ্যসকলে আচার্য্যৰ সেৱা পুত্রৰ দৰে কৰিব লাগে। এই ক্ষেত্রত চৰকে এনেদৰে কৈছে— 'পুত্রবৎ-দাসবৎ-অর্থিবচ্ছো-পচৰতা২নুবস্তব্যো২হম্।'

(খ) অধ্যাপন কৰাৰ আগতে আচার্য্যৰ বাবে শিষ্যৰ তথা শিষ্যৰ বাবে আচার্য্যৰ পৰীক্ষণ আৱশ্যক। চৰকসংহিতাত এনেদৰে কোৱা হৈছে— (১) অধ্যাপনে কৃতবুদ্ধিৰাচার্য্যঃ শিষ্যমেৱাদিতঃ পৰীক্ষেৎ। (২) ততো২নন্তৰমাচার্য্যং পৰীক্ষেৎ।

১৪.৩.২ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ৬-১০

পাঠ্যাংশ - ৬

মূলপাঠ ঃ ইহ খল্বায়ুর্বেদং নামোপাঙ্গমথর্ববেদস্যাদ্যুৎপাদ্যৈৰ প্রজাঃ শ্লোক শতসহস্রমধ্যায়সহস্রং চ কৃতবান্ স্বয়ম্ভুঃ, ততো২ল্পায়ুষ্টমল্পমেধস্তং চালোক্য নৰাণাং ভূয়ো২ষ্টধা প্রণীতবান্ ।। ৬।।

সন্ধিবিচ্ছেদ ঃ খলু + আয়ুর্বেদং। নাম + উপাঙ্গম্ + অথর্ব্ববেদস্য + আদি + উৎপাদ্য + এব। শতসহস্রম্ + অধ্যায়সহস্রং। ততঃ + অল্প + আয়ুষ্ট্বম্ + অল্পমেধস্ত্বম্। চ + আলোক্য। ভূয়ঃঃ + অষ্টধা।

অসমীয়া অনুবাদ ঃ এই আয়ুর্বেদ অথর্ববেদৰ উপাঙ্গ। এই আয়ুর্বেদক, প্রজাসকলক উৎপন্ন কৰাৰ আগতেই ব্রহ্মাই একলাখ শ্লোকত তথা এক হাজাৰ অধ্যায়ত কৈছিল। তাৰোপৰি মানুহৰ অল্প আয়ুস তথা অল্প বুদ্ধিযুক্ত দেখি, এই আয়ুর্বেদক আঠটা অঙ্গত বিভাজিত কৰিছিল।



জানি থোৱা ভাল

উপাঙ্গ ঃ বৈদিক সাহিত্যত সাধাৰণতে তিনি প্রকাৰৰ ৰচনা পোৱা যায়— বেদ, বেদাঙ্গ আৰু উপাঙ্গ। ঋগ্বেদ, সামবেদ, যজুর্বেদ তথা অথর্ববেদ হৈছে চাৰিপ্রকাৰৰ বেদ। শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ আৰু জ্যোতিষ— এই ছয় প্রকাৰ হৈছে বেদাঙ্গ। আনহাতে চাৰি প্রকাৰৰ গ্রন্থক চাৰিখন বেদৰ উপাঙ্গ (উপবেদ) বুলি কোৱা হয়। সেই অনুসাৰে অথর্ববেদৰ উপবেদ হৈছে আয়ুর্বেদ।

পাঠ্যাংশ - ৭

মূলপাঠ ঃ তদ্যথা - শল্যং, শালাক্যং, কায়চিকিৎসা, ভূতবিদ্যা, কৌমাৰভৃত্যম্, অগদতন্ত্রং, ৰসায়নতন্ত্রং, বাজীকৰণতন্ত্রমিতি।। ৭।।

অসমীয়া অনুবাদ ঃ সেই আঠোটা অঙ্গ হৈছে— শল্য, শালাক্য, কায়চিকিৎসা, ভূতবিদ্যা, কৌমাৰভৃত্য, অগদতন্ত্র, ৰসায়নতন্ত্র আৰু বাজীকৰণতন্ত্র।



জানি থোৱা ভাল

১। **শল্য ঃ** কাইট, খৰী, শিল, ধূলি, লৌহধাতু, চুলি, নখ আদি শৰীৰৰ ভিতৰত সোমালে, সেইবোৰ উলিয়াই অনা পদ্ধতিটোক শল্য বোলে। তাৰোপৰি এই চিকিৎসাৰ দ্বাৰা যন্ত্র, শস্ত্র তথা অগ্নি আদিৰ ঘাঁও নিৰাময় কৰা হয়।

২। **শালাক্য ঃ** গ্রীবা অর্থাৎ গলৰ ওপৰৰ অংশ যেনে— কাণ, চকু, মুখ আৰু নাক আদি অংগত হোৱা ৰোগৰ চিকিৎসাই হৈছে শালাক্য।

৩। **কায়চিকিৎসা ঃ** শৰীৰৰ সকলো অঙ্গতে প্রভাৱ বিস্তাৰ কৰিব পৰা ৰোগ যেনে— জ্বৰ, ৰক্তপিত্ত, উন্মাদ, অপস্মাৰ, কুষ্ঠ, প্রমেহ, অতিসাৰ আদি ৰোগৰ চিকিৎসাই হৈছে কায়চিকিৎসা।

৪। **ভূগবিদ্যা ঃ** দেৱ, অসুৰ, গন্ধর্ব, যক্ষ, ৰাক্ষস, পিতৰ, পিশাচ, নাগ, গ্রহ আদিৰ প্রৱেশৰ দ্বাৰা দূষিত মনৰ শান্তিকর্ম, বলিদান আদিৰ দ্বাৰা গ্রহৰ শান্তি কর্মই হৈছে ভূতবিদ্যা।

৫। **কৌমাৰ ভৃত্য ঃ** শিশুৰ পালন-পোষণ, ধাত্রীৰ গাখীৰৰ সংশোধন, তথা বেয়া গাখীৰৰ পৰা উৎপন্ন ৰোগৰ চিকিৎসা কৌমাৰ ভৃত্য।

৬। **অগদতন্ত্র ঃ** সাপ, বিছা, মকৰা, কীট্-পতঙ্গ, নিগনী আদিৰ বিষ তথা বিষৰ উপশমৰ চিকিৎসা।

৭। **ৰসায়ন তন্ত্র ঃ** যৌৱন স্থিৰে ৰখা, আয়ুস, মেধা তথা বল বঢ়াবলৈ আৰু ৰোগ নিবাৰণৰ শক্তি বঢ়াবলৈ কৰা চিকিৎসা।

৮। **বাজীকৰণ তন্ত্র ঃ** অল্পবীর্য্য পুৰুষৰ বীর্য্য বঢ়াবলৈ, ক্ষীণ শুক্র পুৰুষৰ শুক্র বৃদ্ধি আদিৰ বিষয়ে কৰা চিকিৎসা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ 'সুশ্রুতসংহিতা' কাৰ দ্বাৰা প্রণীত হৈছে?

.....

প্রশ্ন নং ২ ঃ 'সুশ্রুতসংহিতা'ত কিমানটা স্থান আছে?

.....

প্রশ্ন নং ৩ ঃ কাশীৰাজ ভগৱান দিৱোদাস কোন?

.....

প্রশ্ন নং ৪ ঃ কেইজন শিষ্য ধন্বন্তৰিৰ ওচৰলৈ গৈছিল?

.....

প্রশ্ন নং ৫ ঃ কি শাস্ত্রত ইহলৌকিক কল্যাণ আৰু পাৰলৌকিক শ্রেয় নিহীত হৈ আছে?

.....

পাঠ্যাংশ - ৮

মূলপাঠ ঃ অথাস্য প্রত্যঙ্গলক্ষণসমাসঃ—

এতিয়া এই আঠ অঙ্গৰ ভিতৰত প্রত্যেক অঙ্গৰ লক্ষণ সংক্ষেপতে কোৱা হৈছে— ।। ১।।

(১) তত্র, শল্যং নাম বিবিধতৃণকাষ্ঠ পাষাণপাংশুলোহলোষ্টাস্থি বালনখ পূয়াস্রারদুষ্টব্রণান্তর্গর্ভশল্যোদ্ধৰণার্থং, য়ন্ত্রশস্ত্রক্ষাৰাগ্নিপ্রণিধানব্রণবিনিশ্চয়ার্থং চ।।

— শল্য মানে হৈছে বিভিন্ন প্রকাৰৰ তৃণ, কাঠ, শিল, ধূলি, লোহা, মাটিৰ লদা, অস্থি, চুলি, নখ, পূঁজ, তেজ-পূঁজ প্রৱাহ, দূষিত ফোঁহা, অন্তঃ শল্য, গর্ভশল্য আদি উলিয়াই দিবলৈ আৰু যন্ত্র, শস্ত্র, ক্ষাৰ

(খাৰ), অগ্নিৰ প্রয়োগৰ বাবে তথা ব্রণ (ফোঁহা)ৰ নিশ্চিতিৰ (ফোঁহাৰ স্থান নির্ণয় কৰাৰ) বাবে চিকিৎসা ব্যৱস্থা।

(২) শালাক্যং নামোর্দ্ধজত্রুগতানাং শ্রৱণনয়নবদনঘ্রাণাদিসংশ্রিতানাং ব্যাধীনামুপশমনার্থম্।।

— জতু অর্থাৎ গলৰমূলৰ ওপৰ অংশত হোৱা ৰোগ অর্থাৎ কাণ, চকু, মুখ আৰু নাক আদিত হোৱা ৰোগৰ শান্তিৰ বাবে শালাক্য নামৰ চিকিৎসা ব্যৱস্থা।

(৩) কায়চিকিৎসা নাম সর্বাঙ্গসংশ্রিতানাং ব্যাধীনাং জ্ৱৰৱক্তপিত্ত-শোষোন্মাদাপস্মাৰকুষ্ঠমেহাতিসাৰাদীনামুপশমনার্থম্।।

— শৰীৰত সকলো অঙ্গতে প্রভাৱ বিস্তাৰ কৰিব পৰা ৰোগ, যেনে— জ্ৱৰ, ৰক্তপিত্ত, ক্ষয়ৰোগ, উন্মাদ, অপস্মাৰ (মিৰ্গী), কুষ্ঠ, প্রমেহ (বহুমূত্রৰোগ), অতিসাৰ আদি ৰোগৰ চিকিৎসা ব্যৱস্থা হৈছে কায়চিকিৎসা।

(৪) ভূতবিদ্যা নাম দেৱাসুৰগন্ধর্বয়ক্ষৰক্ষ ঃ পিতৃপিশাচনাগগ্রহাদ্যুপসৃষ্টচেতসাং শান্তিকর্মবলিহৰণাদি-গ্রহোপশমনার্থম্।

— দেৱ, অসুৰ, গন্ধর্ব, য়ক্ষ, ৰাক্ষস, পিতৰ, পিশাচ, নাগ, গ্রহ আদিৰ আক্রান্ত মনৰ শান্তিকর্ম, বলি আদি কর্মৰ দ্বাৰা গ্রহৰ শান্তিয়েই হৈছে ভূতবিদ্যা।

(৫) কৌমাৰভৃত্যং নাম কুমাৰভৰণধাত্রীক্ষীৰদোষসংশোধনার্থং দুষ্টস্তন্যগ্রহসমুত্থানাং চ ব্যাধীনামুপশমনার্থম্।।

— শিশুৰ ভৰণ-পোষণ, ধাত্রীৰ গাখীৰৰ দোষ সংশোধনৰ বাবে, দূষিত স্তনৰ কাৰণ তথা দুষ্ট গ্রহৰ পৰা উৎপন্ন ৰোগৰ উপশমৰ বাবে চিকিৎসা ব্যৱস্থা হ'ল কৌমাৰ ভৃত্য।

(৬) অগদতন্ত্রং নাম সর্পকীটলুতামূষকাদিদংষ্টবিষব্যঞ্জনার্থং বিবিধবিষসংযোনোপশমনার্থং চ।

— সাপ, কীট, মকৰা, নিগনী আদিৰ দংশনৰ দ্বাৰা উৎপন্ন বিষৰোগৰ পৰীক্ষাৰ কাৰণে তথা বিভিন্ন প্রকাৰৰ বিষৰ সংযোগৰ পৰা উৎপন্ন হোৱা বিকাৰৰ চিকিৎসা ব্যৱস্থাই হৈছে অগদ তন্ত্র।

(৭) ৰসায়নতন্ত্রং নাম বয়ঃ স্থাপনমায়ুমেধাবলকৰং ৰোগাপহৰণ সমর্থং চ।

— শাৰীৰিক অৱস্থা (যৌৱন অৱস্থা) ঠিকে ৰাখিবলৈ, আয়ুস, মেধা আৰু বল বঢ়োৱাৰ বাবে, তথা শৰীৰৰ ৰোগ নিবাৰণৰ শক্তি

বৃদ্ধিৰ চিকিৎসা ব্যৱস্থা হৈছে ৰসায়নতন্ত্র।

(৮) বাজীকৰণতন্ত্রং নামাল্পদুষ্টক্ষীণবিশুষ্কৰেতসামাপ্যায়ন প্রসাদোপচয়জননিমিত্তং প্রহর্ষজননার্থং চ।

— অল্পবীর্য্য পুৰুষৰ বীর্য্য বঢ়াবলৈ, দূষিত শুক্রানু যুক্ত ব্যক্তিৰ শুক্রানুৰ পৰিশোধনৰ বাবে, কোনো কাৰণৰ বাবে স্বাভাৱিক পৰিমাণতকৈ কম শুক্রানুযুক্ত পুৰুষৰ শুক্র বৃদ্ধিৰ বাবে তথা স্ত্রীপ্রসঙ্গত আনন্দ বৃদ্ধিৰ বাবে চিকিৎসা ব্যৱস্থা হৈছে বাজীকৰণ।

পাঠ্যাংশ - ৯

মূলপাঠ ঃ এৱময়মায়ুর্বেদো ঽষ্টাঙ্গ উপদিশ্যতে, অত্র কস্মৈ কিমুচ্যতামিতি।।

সন্ধিবিচ্ছেদ ঃ এৱম্ + অয়ম্ + আয়ুর্বেদঃ + অষ্টাঙ্গঃ।
কিম্ + উচ্যতাম্ + ইতি।

অনুবাদ ঃ এনেদৰে এই আয়ুর্বেদ আঠ অঙ্গযুক্ত বুলি কোৱা হয়। এই আঠ অঙ্গসমূহৰ ভিতৰত কোনটো অঙ্গক তোমালোকৰ ভিতৰত কাক উপদেশ কৰোঁ, সেইটো কোৱা।

পাঠ্যাংশ - ১০

মূলপাঠ ঃ ত (তে) ঊচুঃ — অস্মাকং সর্বেষামেৱ শল্যজ্ঞানং মূলং কৃত্বোপদিশতু ভগৱানিতি।।

সন্ধিবিচ্ছেদ ঃ সর্বেষাম্ = এৱ, কৃত্বা + উপদিশতু, ভগৱান্ + ইতি।

অনুবাদ ঃ সেই শিষ্যবোৰে ক'লে— হে ভগৱন্ ! আপুনি শল্যজ্ঞানক মুখ্যৰূপে ৰাখি, আমাক সকলোকে আয়ুর্বেদৰ উপদেশ দিয়ক।

১৪.৩.৩ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ১১-১৫

পাঠ্যাংশ - ১১

মূলপাঠ ঃ স উৱাচৈৱমস্ত্বিতি।।

সন্ধিবিচ্ছেদ ঃ উৱাচ + এৱম্ + অস্তু + ইতি।

অনুবাদ ঃ ভগৱান ধন্বন্তৰিয়ে ক'লে— এইটোৱেই হওক।

পাঠ্যাংশ - ১২

মূলপাঠ ঃ ত (তে) ঊচুর্ভূয়ো ঽপি ভগৱন্তম্— অস্মাকমেকমতীনাং মতমভিসমীক্ষ্য সুশ্রুতো ভগৱন্ত প্রক্ষ্যতি, অস্মৈ চোপদিশ্যমানং বয়মপ্যুপধাৱয়িষ্যামঃ।।

সন্ধিবিচ্ছেদ ঃ ঊচুঃ + ভূয়ঃ + অপি, অস্মাকম্ + একমতীনাং,
মতম্ + অভিসমীক্ষ্য, চ + উপদিশ্যমানং, বয়ম্ + অপি + উপধাৱয়িষ্যামঃ।।

অনুবাদ ঃ সেই শিষ্যবোৰে আকৌ ভগৱান্ ধন্বন্তৰিক ক'লে— একে মতাৱলম্বী আমি সকলোৰে অভিপ্রায়ক সমীক্ষা কৰি সুশ্রুতে আপোনাক সুধিব আৰু এই সুশ্রুতক সম্বোধন কৰি কোৱা উপদেশক আমি সকলোরে ধাৰণ কৰিম।

পাঠ্যাংশ - ১৩

মূলপাঠ ঃ স হোবাচৈবমস্ত্বিতি।

সন্ধিবিচ্ছেদ ঃ স হি + উবাচ + এবম্ + অস্তু + ইতি।

অনুবাদ ঃ ভগৱান্ ধন্বন্তৰিয়ে ক'লে, এনেকুৱাই হওক।

পাঠ্যাংশ - ১৪

মূলপাঠ ঃ বৎস সুশ্রুত। ইহ খল্বায়ুর্বেদপ্রয়োজনং — ব্যাধ্যুপসৃষ্টানাং ব্যাধিপৰিমোক্ষঃ, স্বস্থস্য ৰক্ষণং চ।।

সন্ধিবিচ্ছেদ ঃ খলু + আয়ুর্বেদ, ব্যাধি + উপসৃষ্টানাং।

অনুবাদ ঃ হে শিষ্য সুশ্রুত। আয়ুর্বেদৰ প্রয়োজন হৈছে— ব্যাধিৰ দ্বাৰা আক্রান্ত প্রাণীক ৰোগৰ পৰা মুক্ত কৰা আৰু স্বস্থ্যমনুষ্যৰ স্বাস্থ্য বজাই ৰখা।

পাঠ্যাংশ - ১৫

মূলপাঠ ঃ 'আয়ুৰস্মিন্ বিদ্যতে, অনেন বাৎয়ুর্বিন্দন্তি' ইত্যায়ুর্বেদঃ।।

সন্ধিবিচ্ছেদ ঃ আয়ুঃ + অস্মিন্, বা + আয়ুঃ + বিন্দন্তি, ইতি + আয়ুর্বেদঃ।

অনুবাদ ঃ (আয়ুর্বেদৰ নিৰুক্তি) শৰীৰ, ইন্দ্রিয়, সত্ত্ব আৰু আত্মা— এইবোৰৰ সংযোগেই হৈছে আয়ু। এইবোৰ এই আয়ুর্বেদতেই আছে। অথবা এই শাস্ত্রৰ দ্বাৰা আয়ু প্রাপ্ত হয়, সেয়েহে এইখন আয়ুর্বেদ।

১৪.৩.৪ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ১৬-২০

পাঠ্যাংশ - ১৬

মূলপাঠ ঃ তস্যাঙ্গবৰমাদ্যং প্রত্যক্ষাগমানুমানোপমানৈৰ-বিৰুদ্ধমুচ্যমানমুপধাৰয়।

সন্ধিবিচ্ছেদ ঃ তস্যা + অঙ্গবৰ + আদ্যং; প্রত্যক্ষ + আগম + অনুমান + উপমানৈঃ + অবিৰুদ্ধম্ + উচ্যমানম্ + উপধাৰয়।

অনুবাদ ঃ এই আয়ুর্বেদৰ শ্রেষ্ঠ তথা আদিম অঙ্গক প্রত্যক্ষ, অনুমান, উপমান আৰু আগম— এই চাৰি প্রকাৰৰ প্রমাণৰ দ্বাৰা অবিৰুদ্ধ ৰূপেৰে মই ক'বলৈ গৈছোঁ, শুনা।

পাঠ্যাংশ - ১৭

মূলপাঠ ঃ এতদ্ধ্যঙ্গং প্রথমং, প্রাগভিযাতব্রণসংৰোহাদ্যজ্ঞশিৰঃ সন্ধানাচ্চ। শ্রূয়তে হি যথা— 'ৰুদ্রেণ যজ্ঞস্য শিৰশ্ছিন্নমিতি, ততো দেৱা অশ্বিনাবভিগম্যোচুঃ— ভগবন্তৌ ! নঃ শ্রেষ্ঠতমৌ যুৱাং ভৰিষ্যথঃ, ভৱদ্ভ্যাং যজ্ঞস্য শিৰ সন্ধাতব্যমিতি। তাবূচতুৰেৱমস্ত্বিতি। অথ তয়োৰর্থে দেৱা ইন্দ্রং যজ্ঞভাগেন প্রাসাদয়ন। তাভ্যাং যজ্ঞস্য শিৰঃ সংহিতম্' ইতি।

সন্ধিবিচ্ছেদ ঃ এতদ্ + হি + অঙ্গং, প্রাগ্ + অভিঘাতব্রণসংৰোহাৎ + য়জ্ঞশিৰঃ, সন্ধানাৎ + চ, অশ্বিনৌ + অভিসম্য + ঊচুঃ, তৌ + ঊচতুঃ + এবম্ + অস্তু + ইতি।

অনুবাদ ঃ এই আঠোটা অঙ্গৰ ভিতৰত এই শল্য অঙ্গই হৈছে প্রধান। (কিয়নো) প্রথম দেৱাসুৰ সংগ্রামত ব্রণোৎপত্তি (যোৱা উৎপত্তি)ৰ প্রতিৰোধ হোৱা কাৰণে আৰু যজ্ঞৰ শিৰ (কটাৰ পিছত) জোৱা লগাই দিয়াৰ কাৰণে— (এই শল্য তন্ত্রই হৈছে প্রধান)।

পৰম্পৰাগতভাৱে এনেদৰে শুনা যায় যে, 'দেৱতা ৰুদ্রই এসময়ত যজ্ঞৰ শিৰ (মূৰ) কাটি পেলাইছিল। তেতিয়া দেৱতাসকলে অশ্বিনী কুমাৰদ্বয় ওচৰলৈ গৈ ক'লে— 'আপোনালোক দুজনে যজ্ঞৰ শিৰটো জোৱা লগাই দিয়ক। এনেকুৱা কার্যৰ দ্বাৰা আপোনালোক আমাতকৈও অতি শ্রেষ্ঠ হ'ব।'

তেওঁলোক দুজনে ক'লে, এয়েই হওঁক। তেতিয়া দেৱতাসকলে তেওঁলোক দুজনৰ বাবে ইন্দ্রদেৱতাক যজ্ঞেৰে প্রসন্ন কৰিলে। তেওঁলোক দুজনে যজ্ঞৰ কটা মূৰটো লগ লগাই দিলে।'



জানি থোৱা ভাল

অশ্বিনৌ ঃ অশ্বিনৌ অথবা অশ্বিনীকুমাৰদ্বয় বৈদিক যুগল দেৱতা (twin gods)। অধিকাংশ ক্ষেত্রতেই তেওঁলোক সবিতৃ (সূর্য্য) আৰু শৰণ্যু (সংজ্ঞা) দেৱীৰ যমজ পুত্র হিচাবে উল্লেখ আছে। ঋগ্বেদত এই যুগ্ম দেৱতাক দেৱতাসকলৰ ভিষক্ অথবা চিকিৎসক হিচাপে বর্ণনা কৰা হৈছে— 'উত তগ দৈব্যা ভিষজা শং নঃ কৰতো অশ্বিনা (ঋগ্বেদ, ৮/১৮/৮)। বহু মূর্ত্তিত অশ্বিনযুগলক ঘোৱাৰ মুখ ৰূপত দেখিবলৈ পোৱা যায়। সূর্যৰ আন এটা নাম হৈছে অশ্বিনী, সেই কাৰণে এই যুগলৰ নাম অশ্বিনীকুমাৰদ্বয়। এওঁলোক দুজনৰ ভিতৰত যিজন জ্যেষ্ঠ তেওঁৰ নাম নাসত্য আৰু যিজন কনিষ্ঠ তেওঁৰ নাম দস্র। 'চৰকসংহিতা'ত এনেদৰে পোৱা যায়—

'অশ্বিনৌ দেৱভিষজৌ যজ্ঞবাহাৱিতি স্মৃতৌ।
যজ্ঞস্য হি শিৱশ্ছিন্নং পুনস্তাভ্যাং সমাহিতম্।।'

পাঠ্যাংশ - ১৮

মূলপাঠ ঃ অষ্টাস্বপি চায়ুর্বেদতন্ত্রেষ্বেতদেৱাধিকমভিমতম্, আশুক্রিয়াকৱণাদ্যন্ত্রশস্ত্রক্ষাৱাগ্নিপ্রণিধানাৎ সর্বতন্ত্রসামান্যাচ্চ।।

সন্ধিবিচ্ছেদ ঃ অষ্টাসু + অপি, চ + আয়ুর্বেদতন্ত্রেষু + এতদ্ + এৱ + অধিকম্ + অভিমতম্, আশুক্রিয়াকৱণাৎ + যন্ত্রশস্ত্রক্ষাৱ + অগ্নি।

অনুবাদ ঃ আয়ুর্বেদৱ আঠোটা তন্ত্রৱ ভিতৱত এই শল্যতন্ত্রই হৈছে আটাইতকৈ অধিক মান্য। (কিয়নো) যন্ত্র, শস্ত্র, ক্ষাৱ আৰু অগ্নি প্রয়োগৱ দ্বাৱা (শল্যতন্ত্রৱ প্রয়োগৱ দ্বাৱা) অতি সোনকালে ৰোগৱ নিবৃত্তি হয়, তথা শালাক্যকেই আদি কৰি আন তন্ত্রসমূহোও এই শল্যতন্ত্রত সমানতা বিচাৰি পায় (অর্থাৎ বাকী তন্ত্রসমূহেও এই তন্ত্রৱ ওপৱত নির্ভৱশীল)।

পাঠ্যাংশ - ১৯

মূলপাঠ ঃ তদিদং শাশ্বতং পুণ্যং স্বর্গ্যং যশস্যমায়ুষ্যং বৃত্তিকৱং চেতি।

অনুবাদ ঃ এই শল্যশাস্ত্রই হৈছে শাশ্বত (অবিনাশি), পূণ্য অর্জনৱ সাধন, স্বর্গ লাভৱ বাবে মংগলজনক আহিলা, যশস্যাৱ সাধন অর্থাৎ যশস্যা লাভৱ উপায়, আয়ুসৱ বাবে হিতকাৰী আৰু জীৱিকাৱ উপায়।

পাঠ্যাংশ - ২০

মূলপাঠ ঃ ব্রহ্মা প্রোৱাচ ততঃ প্রজাপতিৱধিজগে, তস্মাদশ্বিনৌ, অশ্বিভ্যামিন্দ্রঃ ইন্দ্রাদহং, ময়া ত্বিহ প্রদেয়মর্থিভ্যঃ প্রজাহিতহেতোঃ।

সন্ধিবিচ্ছেদ ঃ প্রজাপতিঃ + অধিজগে, তস্মাৎ + অশ্বিনৌ, অশ্বিভ্যাম্ + ইন্দ্রঃ, ইন্দ্রাৎ + অহম্, তু + ইহ, প্রদেয়ম্ + অর্থিভ্যঃ।

অনুবাদ ঃ এই আয়ুর্বেদ শাস্ত্র ব্রহ্মাই প্রথমতে কৈছিল (উপদেশ কৰিছিল)। তেওঁৱ পৱা (অর্থাৎ ব্রহ্মাৱ পৱা) প্রজাপতি দক্ষই শিকিছিল, দক্ষ প্রজাপতিৱ পৱা অশ্বিনীকুমাৱদ্বয়ে শিকিছিল, অশ্বিনীযুগলৱ পৱা ইন্দ্রই শিকিছিল আৰু ইন্দ্রৱ পৱা মই (ধন্বন্তৰি) এই শাস্ত্রবিদ্যা লাভ কৰিছোঁ। ময়ো এই মর্ত্যলোকত প্রজাসকলৱ কল্যাণৱ বাবে অর্থি হিচাপে (বিচাৰি অহা) শিষ্যৰূপত অহা তোমাক (সুশ্রুত) দিব লাগিব।

১৪.৩.৫ সূত্রস্থান ঃ প্রথম অধ্যায় ঃ পাঠ্যাংশ ২১-২৫

পাঠ্যাংশ - ২১

মূলপাঠ ঃ ভৱতি চাত্র—

অহং হি ধন্বন্তৰিৰাদিদেৱো জৰাৰুজামৃত্যুহৰো ঽমৰাণাম্।

শল্যাঙ্গমঙ্গৈৰপৰৈৰুপেতং প্রাপ্তো ঽস্মি গাং ভূয় ইহোপদেষ্টুম্।

সন্ধিবিচ্ছেদ ঃ চ + অত্র, ধন্বন্তৰিঃ + আদিদেৱঃ, জৰা-ৰুজা-মৃত্যুহৰঃ + অমৰাণাম্, শল্য + অঙ্গম্ + অঙ্গৈঃ + অপৰৈ, প্রাপ্ত + অস্মি, ইহ + উপদেষ্টুম্।

অনুবাদ ঃ এই বিষয়ত কোৱাও আছে—

অমৰ অর্থাৎ দেৱতাসকলৰ বৃদ্ধাৱস্থা, ৰোগ তথা মৃত্যু দূৰ কৰিবলৈ সমর্থ আদি দেৱ ধন্বন্তৰি ময়েই। আয়ুর্বেদৰ অন্য অঙ্গবোৰৰ সৈতে শল্যতন্ত্রৰ উপদেশ দিবলৈ পুনৰবাৰ পৃথিৱীলৈ আহিছোঁ।

পাঠ্যাংশ - ২২

মূলপাঠ ঃ অস্মিঞ্ছাস্ত্রে পঞ্চমহাভূতশৰীৰিসমবায়ঃ পুৰুষ ইত্যুচ্যতে। তস্মিন্ ক্রিয়া, মোৎধিষ্টানং, কস্মাৎ? লোকস্য দ্বৈবিধ্যাৎ, লোকো হি দ্বিবিধঃ— স্থাৱৰো, জঙ্গমশ্চ, দ্বিবিধাত্মক এৱাগ্নেয়ঃ সৌম্যশ্চ, তদ্ভূয়স্ত্বাৎ। পঞ্চাত্মকো ৱা, তত্র চতুর্বিধো ভূতগ্রামঃ সংস্বেদজজৰায়ুজাণ্ডজোদ্ভিজসংজ্ঞঃ, তত্র পুৰুষঃ প্রধানং, তস্যোপকৰণমন্যৎ, তস্মাৎ পুৰুষো ঽধিষ্ঠানম্।।

অনুবাদ ঃ এই আয়ুর্বেদ শাস্ত্রমতে পৃথিৱী, অপ, তেজ, বায়ু আৰু আকাশ— এই পঞ্চমহাভূত আৰু আত্মাৰ সংযোগকেই পুৰুষ বুলি কোৱা হয়। এই পুৰুষৰ ভিতৰত ভেষজ, শস্ত্র, ক্ষাৰ, অগ্নিকর্ম তথা স্বাস্থ্যকাৰক কর্ম অভিপ্রেত হৈ আছে। কিয়নো এই পুৰুষ স্বাস্থ্য আৰু ৰোগৰ অধিষ্ঠান। এই নৰ জাতীয় পুৰুষেই ইয়াৰ অধিষ্ঠান এই কাৰণেই যে— মানুহ দুই প্রকাৰৰ— স্থাৱৰ আৰু জঙ্গম। এই দুয়ো প্রকাৰৰ লোক পঞ্চমহাভূতৰ দ্বাৰা গঠিত হ'লেও দুই প্রকাৰৰ গুণৰ অধিকতাৰ কাৰণে আগ্নেয় আৰু সৌম্য বুলি কোৱা হয়। অথবা পঞ্চমহাভূতৰ পৰা সৃষ্টি হোৱা কাৰণে, পঞ্চস্বভাৱযুক্ত। ইয়াৰে ভিতৰত সম্পূর্ণ প্রাণীসমূহ স্বেদজ, জৰায়ুজ, অণ্ডজ তথা উদ্ভিজ— এই চাৰি প্রকাৰৰ নামযুক্ত। এই সমূহৰ ভিতৰত **পুৰুষেই** প্রধান। অন্য সকলোবোৰ এই পুৰুষৰ উপকৰণ অর্থাৎ সাধনৰূপ। সেয়েহে এই শাস্ত্রৰ (আয়ুর্বেদ) পুৰুষেই (Human being) অধিস্থান অর্থাৎ মূল বিষয় (হাতী, বৃক্ষ আদি নহয়)।



পুৰুষ ঃ আয়ুর্বেদ শাস্ত্রত পুৰুষ মানে হ'ল প্রাণী (মানুহ), সকলোবোৰ প্রাণীতকৈ মানুহেই শ্রেষ্ঠ। 'বৃতাণাং প্রাণিনঃ শ্রেষ্ঠাঃ, প্রাণিনাং বুদ্ধিজীৱিনঃ। বুদ্ধিমৎসু নৰা শ্রেষ্ঠাঃ।'

পাঠ্যাংশ - ২৩

মূলপাঠ ঃ তদ্‌দুঃখসংযোগা ব্যাধয় উচ্যন্তে।

অনুবাদ ঃ এই পুৰুষে (Human being) যাৰ সংযোগত দুঃখ পাবলগীয়া হয়, তাকেই **ব্যাধি** (disease) বোলে।



ব্যাধি ঃ বিবিধং দুঃখমাদধতীতি ব্যাধয়। অর্থাৎ বিভিন্ন দুঃখ যিয়ে দিয়ে, সেয়াই ব্যাধি অর্থাৎ বেমাৰ।

পাঠ্যাংশ - ২৪

মূলপাঠ ঃ তে চতুর্বিধাঃ— আগন্তৱঃ, শাৰীৰাঃ, মানসাঃ, স্বাভাৱিকাশ্চেতি।।

অনুবাদ ঃ সেই ব্যাধি চাৰি প্ৰকাৰৰ— আগন্তুক, শাৰীৰিক, মানসিক আৰু স্বাভাৱিক।

পাঠ্যাংশ - ২৫

মূলপাঠ ঃ

(ক) তেষামাগন্তৱো ঽভিঘাতনিমিত্তাঃ
(তেষাম্ + আগন্তবঃ + অভিঘাতনিমিত্তাঃ)

(খ) শাৰীৰাস্ত্বন্নপানভূমূলা বাতপিত্তকফশোণিত-সন্নিপাতবৈষম্যনিমিত্তাঃ।
(শাৰীৰাঃ + তু + অন্নপাভূমূলা...)

(গ) মানসাস্তু ক্ৰোধশোকভয়হর্ষবিষাদের্ষ্যভ্য-সূয়াদৈন্যমাৎসর্যকামলোভপ্রভৃতয় ইচ্ছাদ্বেষভেদৈর্ভৱন্তি।
(মানসাঃ + তু, ক্ৰোধ - শোক - ভয় - হর্ষ - বিষাদ + ঈর্ষাভি + অসূয়া...)

(ঘ) স্বাভাৱিকাস্তু ক্ষুৎপিপাসাজৰামৃত্যুনিদ্রাপ্রকৃ (ভূ) তয়ঃ।

অনুবাদ ঃ

(ক) ইয়াৰে ভিতৰত আগন্তুক ৰোগ শস্ত্র আদিৰ আঘাতৰ কাৰণে উৎপন্ন হয়।

(খ) শাৰীৰিক ৰোগ অন্নপানৰ কাৰণে, তথা বাত, পিত্ত, কফ আৰু ৰক্ত— ইয়াৰে তথা ইয়াৰ সন্নিপাত ৰূপেৰে বিষমতা উৎপন্নৰ দ্বাৰা হয়।

(গ) মানসিক ৰোগ ক্ৰোধ, শোক, ভয়, হর্ষ, দুঃখ, ঈর্ষা, অসূয়া, দীনতা, মাৎসর্য্য, কাম, লোভ আদিৰ দ্বাৰা তথা ইচ্ছা আৰু দ্বেষৰ প্ৰভেদৰ দ্বাৰা উৎপন্ন হয়।

(ঘ) স্বাভাৱিক ৰোগ বোক, পিয়াহ, বৃদ্ধাৱস্থা, মৃত্যু, নিদ্রা আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ আয়ুর্বেদ কোনখন বেদৰ উপাঙ্গ?

.....

প্রশ্ন নং ৭ ঃ কৌমাৰ ভৃত্য তন্ত্রত কি বিষয় আছে?

.....

প্রশ্ন নং ৮ ঃ ভগৱান ধন্বন্তৰিয়ে কোনখন তন্ত্রৰ উপদেশ দিছিল?

.....

প্রশ্ন নং ৯ ঃ চাৰি প্রকাৰৰ প্রমাণ কি কি?

.....

প্রশ্ন নং ১০ ঃ ব্যাধি কেই প্রকাৰৰ।

.....



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- 'সুশ্রুতসংহিতা'ৰ প্রথম অধ্যায়টোৰ বিষয়ে জানিব পাৰিলে।
- শল্যতন্ত্রৰ বিষয়ে জানিব পাৰিলে।
- আয়ুর্বেদশাস্ত্রৰ উদ্দেশ্যৰ বিষয়ে জানিব পাৰিলে।
- ব্যাধিৰ বিভাগসমূহৰ লগত পৰিচয় হ'ব পাৰিলে।
- আয়ুর্বেদৰ অঙ্গসমূহৰ বিষয়ে জ্ঞান লাভ হ'ল।



১৪.৫ অধিক জানিবলৈ

১) অত্রিদেৱ (অনুদিত), (২০১৫), *সুশ্রুতসংহিতা,* দিল্লী ঃ মোতীলাল বেনাৰসীদাস।

২) শাস্ত্রী, ড° অম্বিকাদত্ত, (২০১৬), *সুশ্রুতসংহিতা,* বাৰানসী ঃ চৌখম্ভা সংস্কৃত সংস্থান।



১৪.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ধন্বন্তৰিৰ দ্বাৰা।

২ নং প্রশ্নৰ উত্তৰ ঃ ৫ টা।

৩ নং প্রশ্নৰ উত্তৰ ঃ ধন্বন্তৰি।

৪ নং প্রশ্নৰ উত্তৰ ঃ ৭ জন।

৫ নং প্রশ্নৰ উত্তৰ ঃ আয়ুর্বেদশাস্ত্রত।

৬ নং প্রশ্নৰ উত্তৰ ঃ অথর্ববেদৰ।

৭ নং প্রশ্নৰ উত্তৰ ঃ শিশুৰ লালন পালন।

৮ নং প্রশ্নৰ উত্তৰ ঃ শল্যতন্ত্রৰ।

৯ নং প্রশ্নৰ উত্তৰ ঃ প্রত্যক্ষ, অনুমান, উপমান, আগম।

১০ নং প্রশ্নৰ উত্তৰ ঃ চাৰি প্রকাৰৰ।



১৪.৭ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ তলত দিয়া প্রশ্নসমূহৰ উত্তৰ সংক্ষেপে লিখক।

(ক) 'সুশ্রুতসংহিতা' কি বিষয়ে প্রধানভাৱে আলোচিত হৈছে?

(খ) 'সুশ্রুতসংহিতা'ৰ প্রথম স্থানটোৰ নাম কি?

(গ) ৭ জন ঋষি কাৰ ওচৰলৈ গৈছিল?

(ঘ) 'অগদতন্ত্র'ত কিহৰ বিষয়ে আলোচনা আছে?

(ঙ) 'শল্য' মানে কি?

(খ) চুটি প্রশ্ন ঃ

প্রশ্ন ১ ঃ তলৰ শব্দবোৰৰ ওপৰত টোকা লিখক ঃ

শল্যতন্ত্র, অগদতন্ত্র, পুৰুষ, ব্যাধি।

(গ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ ভগৱান ধন্বন্তৰি আৰু শিষ্যসকলৰ কথোপকথন সংক্ষেপে আলোচনা কৰক।

প্রশ্ন ২ ঃ আয়ুর্বেদৰ অংগবোৰৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ ব্যাধি কেইপ্রকাৰৰ? এই প্রকাৰবোৰৰ বিষয়ে সংক্ষেপে আলোচনা কৰক।

*** ***** ***



প্ৰসঙ্গ পুথি

১) মজুমদাৰ, সুবোধচন্দ্ৰ, *শ্ৰীমদ্‌ভগৱদ্‌গীতা,* দেৱ সাহিত্য কুটীৰ, কলকাতা, ১৯৭৩।

২) ৰাধাকৃষ্ণণ, ড° সর্বপল্লী, *শ্ৰীমদ্‌ভগৱদ্‌গীতা,* মিশ্ৰ ও ঘোষ পাৱলিচার্চ, কলকাতা ১৩৯০ (বংগাব্দ)।

৩) আচার্য জগদীশচন্দ্ৰ (১৯৯৮), *বৈদিক বাঙময়স্যেতিহাসঃ,* বাৰানসী, চৌখম্ভা সুৰভাৰতী প্ৰকাশন।

৪) শাস্ত্রী, (ডা) অশোকচন্দ্ৰ গৌড়, (২০০৭), *সংস্কৃতবাং ময়ৈতিহ্যে বৈদিক বাঙ্‌ময়ম্,* দিল্লী নাগ পাব্লিশার্স।

৫) মুসল গাঁৱকৰ, গজাননশাস্ত্রী, (১৯৯৪), *বৈদিক সাহিত্য কা ইতিহাস,* বাৰানসী, চৌখম্ভা সংস্কৃত সংস্থান।

৬) Shrava, Satya, (1977). *A Comprehensive History of Vedic Literature*, New Delhi, Pranava Prakashan.

৭) Winternitz, M., (1962), *History of Indian Literature*, Vol.I, Calcutta.

৮) শর্মা, ড° থানেশ্বৰ, (১৯৯৭), *বৈদিক সাহিত্যৰ ৰূপৰেখা,* গুৱাহাটী, অসম বেদ বিদ্যালয়।

৯) গোপ, অধ্যাপক যুধিষ্ঠিৰ, (২০০৬), *বৈদিক সাহিত্যেৰ ইতিহাস,* কলকতা, সংস্কৃত বুক ডিপো।

১০) Javalgekar (Dr.) Ravi R., (2000), *An Introduction to Ayurveda,* Varanasi Chaukhambha Sanskrit Bhawan.

১১) শাস্ত্রী, (পণ্ডিত) ৰাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* বাৰানসী, চৌখম্ভা, ভাৰতী অকাডেমী।

১২) শাস্ত্রী, (পঃ) ৰাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* খণ্ড ১-২, বাৰানসী ঃ চৌখম্ভা ভাৰতী একাডেমী।

১৩) শাস্ত্রী, ড° অম্বিকাদত্ত, (২০১৬), *সুশ্ৰুতসংহিতা,* বাৰানসী ঃ চৌখম্ভা সংস্কৃত সংস্থান।

১৪) অত্রিদেৰ (সম্পাদিত), (২০১৫), *সুশ্ৰুতসংহিতা,* দিল্লী ঃ মোতীলাল বনাৰসীদাস।